# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**------------------**

ooooo

ৰাজ্য চৰকাৰে অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ লগতে অসমীয়া ভাষালৈ অহা ভাবুকি প্ৰতিহত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁলোকৰ চৰকাৰ থকা পৰ্যন্ত অসমীয়া ভাষাক লৈ চিন্তা কৰিবলগীয়া বিশেষ নাই বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। গুৱাহাটীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ লগতে কয়, যে ভাষাক লৈ কেতিয়াও আপোচ কৰা নহ'ব। অসমত অসমীয়া আইনগত ভাষা আৰু ৰাজ্যিক ভাষা হিচাপে অসমীয়া থাকিবই বুলি তেওঁ কয়। এবিএমছুৰ এজন নেতাৰ অসমীয়া ভাষা বিদ্বেষী মন্তব্য সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

ooooo

উত্তৰ পূব সীমান্ত ৰে'লৰেৰ লামডিং-বদৰপুৰ অংশৰ মুপা আৰু দিহাখো ষ্টেচনৰ মাজত ভূমিস্খলনৰ ফলত বন্ধ হৈ পৰা ৰে'লপথচোৱাৰে পুনৰ ৰে'ল চলাচলৰ বাবে সকলো প্ৰচেষ্টা চলাই থকা হৈছে। অঞ্চলটোত এক্সকেভেটৰ আৰু জে চি বিৰ ব্যৱহাৰেৰে শিল আৰু মাটি আঁতৰোৱাৰ কাম কৰি থকা হৈছে। ভূমিস্খলনৰ ফলত ১৩ জুলাইলৈ কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰাত বৰাক উপত্যকাৰ যাত্ৰীসকল সমস্যাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত আজি অনিশ্চয়তাৰ মাজতে শিলচৰ ষ্টেচনৰ পৰা দিনৰ ১২ বজাত গুৱাহাটী অভিমুখী এখন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই গুৱাহাটী আৰু আগৰতলাৰ মাজতো এনে বিশেষ ৰে'ল চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। তদুপৰি, কাঞ্চনজংঘা এক্সপ্ৰেছৰ লগতে কাইলৈ পুনৰ শিলচৰ-গুৱাহাটী-শিলচৰ পথত বিশেষ ৰে'ল চলাচল কৰোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ooooo

ৰাজ্যজুৰি ডায়েৰীয়া সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজিৰে পৰা ডায়েৰীয়া প্ৰতিৰোধ অভিযান অনুষ্ঠিত হৈছে। এই অভিযানৰ জৰিয়তে ডায়েৰীয়াত আক্ৰান্ত হৈ কোনো শিশুৰ যাতে মৃত্যু নহয় তাৰ বাবে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে কামৰূপ মহানগৰ জিলাতো আজিৰ পৰা ডায়েৰীয়া প্ৰতিৰোধ কাৰ্যসূচী অনুষ্ঠিত হয়। সাতগাঁৱৰ ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ চৌধুৰীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনৰ অংগনৱাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৌচাগাৰৰ ব্যৱহাৰ, পৰিষ্কাৰকৈ হাত ধুৱাৰ লগতে বিশুদ্ধ পানী সেৱনৰ গুৰুত্ব সম্পৰ্কে কাৰ্যসূচীত আলোচনা কৰা হ'ব। অহা ২৫ আগষ্টলৈ এই কাৰ্যসূচী অব্যাহত থাকিব।

এই অভিযানৰ সৈতে সংগতি ৰাখি বৰপেটাত ডায়েৰীয়া প্ৰতিষেধক কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তই এটি শিশুক ডায়েৰীয়া প্ৰতিৰোধী প্ৰতিষেধক সেৱন কৰাই এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে এই অভিযানৰ অংশ হিচাপে আশাকৰ্মীসকলে একৰ পৰা ৫ বছৰৰ ভিতৰৰ শিশু থকা ঘৰলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব। অংগনৱাড়ী কৰ্মীসকলেও শিশুসকলক লৈ ডায়েৰীয়া প্ৰতিৰোধৰ ব্যৱস্থাৱলী ৰূপায়ণ কৰিব। স্বাস্থ্য বিভাগৰ দলেও অংগনৱাড়ী কেন্দ্ৰসমূহলৈ গৈ শিশুসকলক স্বাস্থ্য পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব।

বজালী জিলাত স্বাস্থ্য বিষয়া ডাঃ দিপ্তী চৌধুৰীয়ে আনুষ্ঠানিকভাৱে ডায়েৰীয়া প্ৰতিৰোধী কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই সজাগতামূলক কাৰ্যসূচী আজিৰ পৰা দুমাহ পৰ্যন্ত চলিব।

ooooo

ধুবুৰী জিলাৰ বন বিভাগৰ এটা দলে আজি হাটশিঙিমাৰী বন বিভাগৰ সহযোগত মানকাচৰৰ ফুলেৰচৰত অভিযান চলাই দুটা অবৈধ কাঠফলা মিল জব্দ কৰে। ধুবুৰী বন বিভাগৰ সহকাৰী বন সংৰক্ষক বিষয়া চক্ৰপাণি ৰয়ৰ নেতৃত্বত আজি পুৱাৰে পৰা চলোৱা এই অভিযানত ৪৪ চেপ্টি কাঠো জব্দ কৰিবলৈ সমৰ্থ হয়। বন সংৰক্ষক বিষয়াগৰাকীয়ে সাংবাদিকৰ আগত এই অভিযানৰ বিষয়ে উল্লেখ কৰি পৰিবেশ সংৰক্ষণৰ প্ৰতি লক্ষ্য ৰাখি গছ নাকাটিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

ooooo

আজি ৰাষ্ট্ৰীয় মীন পালক দিৱস। কৃষি মন্ত্ৰী অতুল বৰাই এই উপলক্ষে মীন পালকসকলক শুভেচ্ছা জনাই কয়, যে ৰাজ্য চৰকাৰে মীন আৰু জলজ কৃষিখণ্ডৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃগাঁথনি উন্নয়ন আৰু কৃষকৰ বাবে যাৱতীয় সুবিধা উপলব্ধ কৰাত অগ্ৰাধিকাৰ দি এই খণ্ডটোক স্বাৱলম্বী হোৱাৰ উৎস লৈ ৰূপান্তৰিত কৰিছে। তেওঁ যুৱক-যুৱতীসকলক চৰকাৰী আঁচনিৰ সদব্যৱহাৰ কৰি মৎস্য পালনৰ ক্ষেত্ৰত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়।

দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো এই দিৱসৰ সৈতে সংগতি ৰাখি আজি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আমিনগাঁৱত গুৱাহাটী বায়'টেক পাৰ্ক, কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু কামৰূপ জিলা মৎস্য বিভাগৰ সহযোগত মীন পালক দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলাখনৰ ১২ গৰাকী কৃতি মৎস্য পালকক সম্বৰ্ধনা জনোৱা হয়। মীন পালকৰ লগতে মৎস্য পালনৰ সৈতে জড়িত ব্যৱসায়ৰ প্ৰশিক্ষণৰ বাবে ডেৰ শতাধিক মহিলাক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়।

বৰপেটাত এই দিৱস উপলক্ষে জিলা মীন বিভাগৰ কাৰ্যালয়ত বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে মীন বিভাগৰ বিষয়াসকলে জিলাখনৰ মীন পালকসকলৰ সৈতে মত বিনিময়ত অংশ লৈ তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয়। ইয়াৰ লগতে অনুষ্ঠানত মীন পালক নুৰ ইছলামক মীন বিভাগৰ তৰফৰ সম্বৰ্ধনা জনোৱা হয়।

ooooo

সমাপ্ত